# এজন পৰম বীৰৰ সৈতে কিছু সময়

আমি আমাৰ জীৱন কালত বিভিন্ন ধৰণৰ মানুহৰ সান্নিধ্য লাভ কৰো। কিছুমান মানুহৰ কথা চিৰদিনলৈ মনত থাকে আৰু কিছুমান মানুহৰ কথা অতি সোনকালে পাহৰি যাও। কেতিয়াবা কিছুমান মানুহৰ স্মৃতি সযত্নে মনৰ মণিকোঠাত সাঁচি ৰাখো, কিছুমানৰ কথা মনত পৰিলেও বিৰক্ত বোধ কৰো। কেতিয়াবা কিছুমান মানুহৰ নিচেই ক্ষন্তেকীয়া সান্নিধ্যই আমাক জীবনজুৰি প্ৰভাৱিত কৰে অথচ কিছুমানৰ বহুত দীঘলীয়া সান্নিধ্যয়ো কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে।

মাত্ৰ অলপ সময়ৰ বাবে লগ পোৱা কিন্তু মোক আজি কেইবাবছৰো ধৰি অহৰহ প্ৰভাৱিত কৰা এজন ব্যক্তিৰ কথাকে লিখিব খুজিছো। তেওঁ হৈছে মেজৰ জেনেৰেল ইয়ান কাৰড'জ' (Ian Cardozo)। এইজন অবিশ্বাস্যভাবে সাহসী আৰু দৃহপ্ৰতিজ্ঞ ব্যক্তিক মই দুদিন কিছু সময়ৰ বাবে লগ পাইছিলো মেংগালুৰু চহৰত ২০১১ চনত। তাৰিখ মনত নাই যদিও মাৰ্চ মাহৰ আৰম্ভনিতে বুলি মনত আছে।

মোক মেংগালুৰু বিশ্ববিদ্যালয়ে Speech and Hearing কৰ্ছৰ এম.এছ.ছি পৰীক্ষাৰ বহী চাবলৈ মাতিছিল। সকলো যাবতীয় খৰছ বিশ্ববিদ্যালয়ে দিয়ে যদিও ইয়াৰ পৰম্পৰা মতে যিখন কলেজ বা প্ৰতিষ্ঠানে সেই বিশেষ কৰ্ছটোৰ Board of Examiners দায়িত্ব লাভ কৰে তেওঁলোকে পৰীক্ষকৰ থকা খোৱা, অনা নিয়া আদিৰ ব্যৱস্থা কৰে। সেইবাৰ সেই দায়িত্ব আছিল M.V. College of Speech and Hearing ৰ। তেওঁলোকে এটা অতি ভাল হোটেলত থকাৰ ব্যৱস্থা কৰিছিল। এজন ছাত্ৰই মোক বাচষ্টেণ্ডৰ পৰা গাড়ীৰে লৈ গৈ হোটেলত থৈ কৈছিল যে এঘণ্টামানৰ পিছত কলেজৰ প্ৰাংগনত হোৱা নৈশ ভোজনলৈ লৈ যাবলৈ পুনৰ আহিব। সি মোক থুলমুলকৈ ক'লে যে তাত এখন ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কৰ্মশালা হৈ আছিল আৰু সেই দিনাই শেষ দিন। সেই উপলক্ষে নৈশ ভোজনৰ আয়োজন কৰা হৈছে। মই ভাগৰ লগাৰ বাবে নাযাও বুলি ক'লো। অলপ পিছত কলেজৰ অধ্যক্ষ ড. চুব্বাৰাওৰ পৰা ফোন আহিল। তেওঁ মোক যাবলৈ জোৰ কৰিলে। মই ভাগৰ লাগিছে বুলি কোৱাত তেওঁ হাঁহিলে আৰু ক'লে যে তালৈ গ'লে মোৰ ভাগৰ নোহোৱা হৈ যাব। ইমানকৈ কোৱাৰ পিছত নগলে ঠিক নহ'ব বুলি গ'লো। গাড়ীৰ পৰা নামি দেখিবলৈ পালো যে কলেজৰ সন্মুখৰ মুকলি প্ৰাংগনত নৈশ ভোজনৰ আয়োজন – মানুহবোৰে দল বান্ধি কথা বতৰা পাতি আছে। পোহৰ কম আছিল বাবে মই কাকো ধৰিব পৰা নাছিলো। তেনেকুৱাতে মোক কোনোবাই নাম ধৰি মতাত চাই দেখিলো ড. আশা য়তিৰাজ – মোৰ এসময়ৰ সহকৰ্মী। মই তেওঁলোকৰ ওচৰতে বহিলোগৈ এজন বয়সস্থ মানুহৰ বাহিৰে বাকী সকলোৱেই মোৰ চিনাকী।

আশাই মোক মানুহজনৰ লগত পৰিচয় কৰাই দিলে – মেজৰ জেনেৰেল ইয়ান কাৰড’জ’ – RCI ৰ চেয়াৰমেন। RCI অৰ্থাৎ Rehabilitation Council of India ৰ নতুন চেয়াৰমেন হোৱাৰ কথা মই গমেই পোৱা নাছিলো। অলপ দেৰি কথা বতৰা পতাৰ পিছত গম পালো যে সেই কৰ্মশালা RCI ৰ সৌজন্যত হৈছে – গতিকে তেখেতৰ উপস্থিতিৰ কাৰণো বুজিব পাৰিলো। Speech and Hearing বিষয়টো তেখেতৰ বাবে নতুন আৰু সেয়ে তেখেতে আমাৰ পৰাই কেতবোৰ যাবতীয় কথা জানিবলৈ, বুজিবলৈ চেষ্টা কৰিছিল। ইতিমধ্যে মই অহাৰ কথা গম পাই প্ৰাংগনৰ বিভিন্ন ঠাইত বিস্তাৰিত হৈ থকা বহুতো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে আহি মোক মাত লগাইছিলহি। তেওঁলোকে বাকীবোৰ মানুহক সেই কেইদিন লগ পাই আছিল কিন্তু মোক সেইদিনা প্ৰথমবাৰৰ বাবে পোৱাৰ বাবে সেইখিনিত কিছু উথপ্‌থপ্‌ হৈছিল। তাকে দেখি কাৰড’জ’ই হয়তো মোক এই ক্ষেত্ৰত এজন মুধাফুটা ব্যক্তি বুলি ভাবিলে। গতিকে RCI ৰ কেইটামান দায়িত্ব দিয়াৰ প্ৰস্তাৱ দিলে। মই তেতিয়া তেওঁক এই ক্ষেত্ৰত মোৰ ভূমিকাৰ বিষয়ে বুজাই ক’লো। সেইদিনা সন্ধ্যা আমাৰ আলোচনাৰ প্ৰধান বিষয় আছিল শাৰীৰিকভাবে অক্ষম লোকৰ প্ৰতি থকা ভাৰতীয় মানুহৰ নেতিবাচক দৃষ্টিভংগী। সেই দৃষ্টিভংগীৰ আমূল পৰিবৰ্তন ঘটাই জনসাধাৰণৰ মাজত কেনে ধৰণেৰে সচেতনতাৰ ভাৱ জগাই তুলিব পাৰি সেই বিষয়ে আলোচনা কৰিছিলো। ৰূপা নাগৰাজন (তেওঁ চেন্নাইৰ শ্ৰীৰামচন্দ্ৰ মেডিকেল কলেজৰ Audiology and Speech, Language Pathology ৰ মুৰব্বী অধ্যাপিকাই এ The King’s Speech নামৰ বোলছবিখনৰ কথা কৈছিল। ঠিক তাৰ কেইদিনমানৰ আগতে শ্ৰেষ্ঠ বোলছবিৰ বাবে অস্কাৰ পোৱাৰ বাবে নামটো শুনিছিলো কিন্তু তাৰ বাহিৰে একো নাজানিছিলো। বৃটেইনৰ বৰ্তমান ৰাণী এলিজাবেথৰ পিতৃ ষষ্ঠ জৰ্জে কথা কওঁতে খোনাইছিল বাবে ৰাজহুৱা ভাষণ দিয়াটো তেওঁৰ বাবে অসম্ভৱ আছিল। কিন্তু ৰাজপাটত উঠাৰ পিছত যেতিয়া দ্বিতীয় মহাযুদ্ধৰ আগে আগে ব্ৰিটিছ সাম্ৰাজ্যৰ সকলোৰে উদ্দেশ্যে ৰেডিয়ত এটা গুৰুত্বপূৰ্ণ ভাষণ দিবলগীয়া হ’ল তেতিয়া থেৰাপিষ্ট আৰু নিজৰ প্ৰচেষ্টাত কেনেদৰে সফলভাবে তেওঁৰ ভাষণটো পাঠ কৰিব পাৰিলে সেইটোৱেই হৈছে এই বোলছবিখনৰ কাহিনী। এইখন এখন সকলোৱে বিশেষকৈ খোনা লোকে চাবলগীয়া বোলছবি। জনজাগৰণতা জগাই তোলাত বোলছবিৰ ভূমিকাৰ বিষয়েও আমি আলোচনা কৰিছিলো। সেইদিনা আমি তিনি/চাৰি ঘণ্টা ইমানবোৰ কথা আলোচনা কৰি থকাৰ সময়ত মোৰ মনত এটা প্ৰশ্নই কেইবাবাৰো খেলা কৰি আছিল। এজন শাৰীৰিকভাবে অক্ষম মানুহক সদায় RCI ৰ চেয়াৰমেন হিচাবে নিযুক্তি দিয়া হয় – কিন্তু এইবাৰ কেনেকৈ এজন সক্ষম মানুহক নিযুক্তি দিলে ? সেই প্ৰশ্নৰ উত্তৰ দুদিনৰ পিছতে পালো।

পিছদিনা মই মংগল গংগোত্ৰীত থকা বিশ্ববিদ্যালয়ৰ চৌহদলৈ গৈ পৰীক্ষাৰ বহী চোৱাৰ কাম শেষ কৰিলো। তাৰ পিছদিনা পুৱা মোক KMC (কস্তুৰবা মেডিকেল কলেজ)লৈ নিয়ালে।

তাত থকা Audiology and Speech, Language Pathology বিভাগে মোক Clinical Linguistics (মোৰ বিষয়) পঢ়াবলৈ মাতিছিল। গৈ পাই দেখো যে তাত ইয়ান কাৰড'জ'ৰ এটা ভাষণৰ আয়োজন কৰা হৈছে। ময়ো তেখেতৰ ভাষণ শুনিবলৈ প্ৰেক্ষাগৃহলৈ গ'লো।

তেখেতে সেইদিনা ভাষণত কোৱা আৰু ভাষণৰ পিছত আমি চাহ খাওতে কোৱা কথা আৰু তাৰ পিছত মই তেওঁৰ বিষয়ে সংগ্ৰহ কৰা তথ্যৰ ভিত্তিতে তলত লিখা কথাখিনি যুগুত কৰিছো।

মুম্বাইত জন্মগ্ৰহণ কৰা কাৰড'জ'ই তাতে স্কুল, কলেজৰ শিক্ষা সাং কৰি সেনাবাহিনীত যোগদান কৰে। **১৯৭১** চনত পূব পাকিস্তানৰ মুক্তি সংগ্ৰামৰ বা পাকিস্তানৰ লগত হোৱা যুদ্ধত তেওঁ ৫ নং গোৰ্খা ৰাইফলছৰ মেজৰ আছিল। চিলেটত এই যুদ্ধখন চলি থকা সময়ত এজন বি.এছ.এফ কামাণ্ডাৰক সহায় কৰিবলৈ যাওতে তেওঁ দুৰ্ঘটনা ক্ৰমে তাত থকা ভূমিবিস্ফোৰক (landmine) ৰ ওপৰত ভৰি দিয়াত বিস্ফোৰণৰ ফলত তেওঁৰ এটা ভৰিৰ একাংশ এৰাই গ'ল। তেতিয়া এজন বাংলাদেশী (তেতিয়াৰ পূব পাকিস্তানী)য়ে দেখি তেওঁক ওচৰতে থকা এটা বেটেলিয়নৰ চিকিৎসা কক্ষ (infirmary) লৈ দাঙি লৈ গ'ল। কাৰড'জ'ই মৰ্ফিন আছে নেকি সুধিলে। কিন্তু যুদ্ধ চলি থকা সময়ত সকলোবোৰ ধ্বংস হৈছিল। তেতিয়া তাত থকা বিষয়াজনক তেওঁৰ ভৰিটো কাটি পেলাবলৈ ক'লে কিন্তু বিষয়াজনে কোনো যন্ত্ৰপাতি নথকাৰ অজুহাতত অমান্তি হ'ল। তেতিয়া তেওঁ তেওঁৰ তলতীয়া গোৰ্খা সৈনিক এজনক তেওঁৰ খুক্ৰীখনেৰে ভৰিটো কাটি পেলাবলৈ ক'লে। তেতিয়া হেনো তেওঁ তেনে কাম কৰিব নোৱাৰে বুলি নিজৰ ভাষাতে উত্তৰ দিলে। এইবাৰ কাৰড'জ'ই খুক্ৰীখন তেওঁৰ হাতত তুলি দিবলৈ হুকুম দিলে। সামৰিক বাহিনীত ওপৰৱালাৰ হুকুম মানিবই লাগিব। তেতিয়া কাৰড'জ'ই নিজৰ ভৰিটো খুক্ৰীখনেৰে কাটি সেইটো পুতি থবলৈ হুকুম দিলে।

ইতিমধ্যে দায়িত্বত থকা ডাক্তৰজন আহি পাইছিলহি আৰু তেওঁ ভৰিটো বেণ্ডেজ কৰি দিলে। অলপ পিছতে তেওঁৰ কমাণ্ডাৰ আহি ক'লে যে তেওঁলোকে এজন পাকিস্তানী চাৰ্জনক বন্দী কৰিবলৈ সক্ষম হৈছে আৰু তেওঁৰ হতুৱাই অস্ত্ৰোপচাৰ কৰাব। কোনো পাকিস্তানীৰ হতুৱায় অস্ত্ৰোপচাৰ নকৰায় বুলি তেওঁ চিৎকাৰ কৰি উঠিলে। তাৰ সলনি যিমান সোনকালে পাৰে তেওঁক ভাৰতলৈ পঠাই দিবলৈ অনুৰোধ কৰিলে। ইতিমধ্যে যুদ্ধত ঢাকাৰ পতন হৈছিল। সেইদিনা তেওঁক পঠাবলৈ কোনো উৰাজাহাজ নাছিল। তথাপিও কাৰড'জ' অস্ত্ৰোপচাৰৰ বাবে মান্তি হোৱা নাছিল। কমাণ্ডাৰে সেইটো তেওঁৰ হুকুম বুলি কোৱাত কাৰড'জ'ই ক'লে যে দুটা সৰ্তত তেওঁ মান্তি হ'ব। তেতিয়া কমাণ্ডাৰে ক'লে যে হুকুম হুকুমেই – তাত সৰ্ত আৰোপ কৰাৰ অধিকাৰ তেওঁৰ নাই। তেতিয়া কাৰড'জ'ই 'ঠিক আছে অনুৰোধ তেতিয়াহ'লে' বুলি ক'লে যে তেওঁক কোনো

পাকিস্তানীৰ তেজ নিদিয়ে যেন। দ্বিতীয়তে কামাণ্ডাৰজন সেই সময়ত তাত উপস্থিত থাকিব লাগিব। সেই সময়ত শত্ৰুপক্ষই কৰা নানান নিৰ্যাতনৰ কাহিনী শুনিবলৈ পোৱা হৈছিল।

কাৰড'জ'ই যেতিয়া কৈ আছিল যে তেওঁ পাকিস্তানী তেজ নলয় মোৰ তেওঁৰ প্ৰতি শ্ৰদ্ধাত স্বতঃস্ফূৰ্তভাৱে মূৰ দোঁ খাই গৈছিল। ভাবিছিলো এনে প্ৰতিকূল পৰিস্থিতিতো নিজৰ নীতিত অচল অটল হৈ থাকিব পৰা মানুহো এই পৃথিৱীত থাকিব পাৰেনে?

পাকিস্তানী চাৰ্জনজনে এক নিখুট অস্ত্ৰোপচাৰ কৰিলে কিন্তু কাৰড'জ'ৰ এটাই আক্ষেপ যে তেওঁক ধন্যবাদ জনাবলৈ কোনো সুবিধা নাপালে।

লগাই লোৱা কাঠৰ ভৰিৰে জীৱন নিৰ্বাহ কৰা তথা তেওঁৰ কৰ্তব্য পালন কৰাটো তেওঁৰ বাবে প্ৰত্যাহ্বান নাছিল – প্ৰত্যাহ্বান আছিল মানুহক পতিয়ন নিওৱাটো যে তেওঁ দৰাচলতে সক্ষম আছিল। নিজৰ সক্ষমতা প্ৰমাণ কৰিবলৈ বদ্ধ পৰিকৰ কাৰড'জ'ই পুৱা সোনকালে উঠি কিছু ব্যায়াম কৰি দৌৰৰ অভ্যাস কৰিলে। যুদ্ধক্ষেত্ৰলৈ যোৱাৰ উপযুক্ততা প্ৰমাণ কৰিবলৈ এবিধ শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। কিন্তু তেওঁক সেই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ দিবলৈ অস্বীকাৰ কৰাত তেওঁ বিষয়াজনৰ লগত তৰ্ক কৰিছিল। তেতিয়া সেই বিষয়াজনে তেওঁক গ্ৰেপ্তাৰ কৰোৱাৰ ভাবুকি দিছিল। ইমান সহজে হাৰ নমনা কাৰড'জ'ই ক'লে যে অপৰাধ কৰাৰ পিছতহে গ্ৰেপ্তাৰ কৰাব পাৰি – গতিকে তেওঁ সেই পৰীক্ষাত অৱতীৰ্ণ হৈ অপৰাধ কৰিব আৰু তেতিয়া বিষয়াজনে তেওঁক গ্ৰেপ্তাৰ কৰাব পাৰিব।

সেই পৰীক্ষাত তেওঁ দুয়োটা ভৰি অক্ষুণ্ণ হৈ থকা সাতজন বিষয়াক চেৰ পেলালে। তেতিয়া পৰীক্ষা লোৱা বিষয়াজনে তেওঁক সাৱতি ধৰি অভিনন্দন জনালে।

কাৰড'জ'ই কেইবাবাৰো তেওঁৰ ওপৰৱালা বিষয়াৰ ওচৰত নিজৰ সক্ষমতা প্ৰমাণ কৰিলে। এবাৰ তেওঁ পাহাৰ বগাই সেনা উপাধ্যক্ষক নিৰ্দিষ্ট ঠাইত লগ ধৰিলেগৈ। তেওঁ পাহাৰ বগাব পৰাটো এক চৰম বিস্ময়ৰ বিষয় আছিল। তেওঁ আনন্দিত হৈ প্ৰমোচনৰ বাবে তেওঁৰ নাম অধ্যক্ষৰ ওচৰত অনুমোদন কৰিলে। অধ্যক্ষই তেওঁক লাদাখলৈ তেওঁৰ লগত যাবলৈ হুকুম দিলে। সেই বৰফৰ ওপৰত তেওঁ সমানে সমানে যাব পৰা দেখি তেওঁ সক্ষম বুলি প্ৰত্যয় হোৱাত প্ৰমোচনৰ বাবে তেওঁৰ নাম বিবেচনা কৰিলে। সেইদৰেই তেওঁ ভাৰতীয় সেনাবাহিনীৰ এটা বেটেলিয়নৰ প্ৰথমজন অক্ষম কমাণ্ডাৰ আৰু পিছত এটা বিগ্ৰেডৰ কামাণ্ডাৰ হ'ব পাৰিলে। এইজন সাহসী বিষয়াই তেওঁৰ সাহস আৰু পাৰদৰ্শিতাৰ বাবে কেইবাটাও মেডেল লাভ কৰিছে।

অৱসৰৰ পিছৰ পৰা তেওঁ নানান ধৰণৰ সামাজিক আৰু অন্যান্য কাম কাজত আত্মনিয়োগ কৰিছে। সামৰি বাহিনীৰ লগত সম্পৰ্ক থকা কেইবাখনো কিতাপো লিখিছে। সেই কেইখন হৈছে The Sinking of INS  Khukri: Survivors Stories, Param Vir: Our Heroes in Battle, In Quest of Freedom: The War of 1971 – Personal Accounts of Soldiers from India and Bangladesh। এই বছৰ প্ৰকাশ হোৱা শেহতীয়া কিতাপখন হৈছে The Bravest of the Brave: The Extraordinary Story of Indian VCs of World War I।

তদুপৰি ভাৰতবৰ্ষৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানবিলাকে তেওঁক প্ৰেৰণামূলক ভাষণ দিবলৈ আমন্ত্ৰণ কৰে। সঁচা কথা কবলৈ গ'লে এই মানুহজনক লগ পোৱাৰ পিছৰ পৰাহে মই সামৰিক বাহিনীৰ সৈনিকবিলাকৰ ত্যাগ, সাহস, কষ্ট আৰু দেশপ্ৰেমৰ কথা বেছিকৈ অনুভৱ কৰিব পৰা হৈছো।

যোৱা ৫ বছৰে মোৰ জীৱনত বোধ কৰো এটা দিনো পাৰ হোৱা নাই যিদিনা তেওঁৰ কথা মনত পৰা নাই। কিবা এটা কাম কৰিব নোৱাৰো বুলি ভাবিলেই কাৰড'জ'ৰ কথা মনত পৰে। কেতিয়াবা ক্লান্ত হৈ 'আৰু নোৱাৰিছো' বুলি হাত দাঙি দিব খোজোতেই মোৰ অন্তৰৰ ভিতৰৰ পৰা যেন কোনোবাই কৈ উঠে, "কাৰড'জ'ই যদি এটা ভৰিৰে সাতুৰি প্ৰথম পুৰস্কাৰ পাব পাৰে, পাহাৰ বগাব পাৰে, যুদ্ধক্ষেত্ৰলৈ যাব পাৰে তই এই সাধাৰণ কামটো কৰিব নোৱাৰিবিনে ? লাজ নালাগেনে তোৰ ?" সঁচাকৈয়ে মোৰ নিজৰ ওচৰতে লাজ লাগে আৰু মোৰ অজ্ঞাতেই হেৰুৱা শক্তি ঘুৰি আহে আৰু মই কামটো কৰিবলৈ সক্ষম হও।

মই উপলব্ধি কৰিছো যে ইয়ান কাৰড'জ' মোৰ বাবে এজন মহানায়ক হৈ পৰিছে। ত্যাগ আৰু সাহসিকতাৰ বাবে ভাৰত চৰকাৰে প্ৰদান কৰা উচ্চতম পুৰস্কাৰ পৰমবীৰ চক্ৰ লাভ কৰা নাই যদিও তেওঁ মোৰ বাবে এজন পৰম বীৰ।